**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। যোৱানিশা ২৬খন স্থানক লক্ষ্য কৰি পাকিস্তানে চলোৱা ড্ৰোন আক্ৰমণ ভাৰতীয় প্ৰতিৰক্ষা ব্যৱস্থাৰ সফলতাৰে প্ৰতিহত।

২। পাকিস্তানে আক্ৰমণৰ কথা অস্বীকাৰ কৰাটো দেশখনৰ দুমুখীয়া স্থিতিৰ উদাহৰণ বুলি বৈদেশিক সচিব বিক্ৰম মিশ্ৰীৰ প্ৰকাশ।

৩। দেশত খাদ্য, ইন্ধন আদি অত্যাৱশ্যকীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত আছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীৰ জনসাধাৰণক ভীতিগ্ৰস্ত নহ'বলৈ আহ্বান।

৪। কাইলৈ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা। জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি সম্পূৰ্ণ। *আৰু*

৫। অৰুণাচল প্ৰদেশৰ ইউপিয়াত অনুষ্ঠিত ছাফ চেম্পিয়নশ্বিপৰ ১৯ বছৰ অনূৰ্ধৰ খেলত ভাৰতীয় পুৰুষ দলৰ শ্ৰীলংকাক ৮-০ গলৰ ব্যৱধানত পৰাস্ত।

০০০০০০

পাকিস্তানৰ সৈতে থকা নিয়ন্ত্ৰণ ৰেখা আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বাৰামুল্লাৰ পৰা ভূজলৈকে প্ৰায় ২৬টা স্থানক লক্ষ্য কৰি যোৱানিশা পাকিস্তানে চলোৱা ড্ৰোন আক্ৰমণ ভাৰতীয় প্ৰতিৰক্ষা ব্যৱস্থাই সফলতাৰে প্ৰতিহত কৰে। এই ড্ৰোনসমূহৰ ভিতৰত অসামৰিক তথা সামৰিক ঘাটিৰ বাবে ভাবুকি সৃষ্টি কৰিব পৰা ড্ৰোনো আছিল। প্ৰতিৰক্ষা সূত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি বাৰামুল্লা, শ্ৰীনগৰ, অৱন্তিপুৰ, নাগৰোটা, জম্মু, ফিৰোজপুৰ, পাঠানকোট, ফাজিল্‌কা, লালগড় জট্টা, জয়ছলমেৰ, বাড়মেৰ, ভূজ, কোৱাৰবেট আৰু লখীনালা আদি অঞ্চলত এই ড্ৰোনসমূহ প্ৰত্যক্ষ কৰা হয়, কিন্তু প্ৰতিৰক্ষা বাহিনীয়ে সফলতাৰে এই আক্ৰমণ প্ৰতিহত কৰি ড্ৰোণসমূহ নিষ্ক্ৰীয় কৰে। অৱশ্যে ড্ৰোণ আক্ৰমণত ফিৰোজপুৰত এটা বাসগৃহ ধ্বংস হোৱাৰ লগতে পৰিয়ালৰ ৩ জন সদস্য অগ্নিদগ্ধ হয়। আহত লোককেইজনক নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু তেওঁলোক বৰ্তমান নিৰাপদে আছে বুলি আকাশবাণীৰ সংবাদদাতাই জনাইছে।

ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহ সম্পূৰ্ণ সক্ষম হৈ আছে আৰু গতিশীল তথা ভূমিভাগৰ পৰা নিক্ষেপ কৰা অস্ত্ৰপ্ৰণালীৰ জৰিয়তে পাকিস্তানৰ ড্ৰোনসমূহ প্ৰতিহত আৰু ধ্বংস কৰি আহিছে। পৰিস্থিতি সন্দৰ্ভত চোকা দৃষ্টি ৰখা হৈছে আৰু প্ৰয়োজন সাপেক্ষে ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সীমান্ত অঞ্চলত থকা অসামৰিক লোকসকলক প্ৰয়োজন নহ'লে ঘৰৰ ভিতৰতে থাকিবলৈ স্থানীয় প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। প্ৰশাসনে লগতে ভীতিগ্ৰস্ত নহ'বলৈ আৰু সক্ষম তথা সতৰ্ক হৈ থাকিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ইপিনে, ভাৰতীয় বিমান প্ৰাধিকৰণে সকলো অসামৰিক বিমান সঞ্চালনৰ বাবে অহা ১৫ মে'লৈ উত্তৰ আৰু পশ্চিম ভাৰতৰ ৩২টা বিমানবন্দৰ সাময়িকভাৱে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। গুৰুত্বপূৰ্ণ স্থানসমূহৰ ভিতৰত অমৃতসৰ, চণ্ডীগড়, জম্মু, শ্ৰীনগৰ, ভূজ, জামনগৰ, জয়চলমেৰ, পাঠানকোট আৰু আন কেইবাটাও স্থানৰ বিমানবন্দৰ আছে। দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰে আজি পুনৰ স্বাভাৱিক সেৱা আৰম্ভ কৰিছে। অৱশ্যে পাকিস্তানৰ সৈতে সামৰিক উত্তেজনাৰ মাজতে সুৰক্ষা ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি যাত্ৰীসকলৰ বাবে কিছু নিৰ্দেশনাও জাৰি কৰা হৈছে।

oooooo

পাকিস্তানে বৃহস্পতিবাৰে পুৱতি নিশাৰে পৰা দেশৰ পশ্চিম অংশৰ  জম্মু আৰু কাশ্মীৰৰ লে'হৰ পৰা গুজৰাটৰ চাৰ ক্ৰিকলৈকে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৩৬টা স্থানত শক্তিশালী কামান আৰু প্ৰায় ৪০০টা ড্ৰোনেৰে আক্ৰমণ চলায়। ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে ইয়াৰে বহুকেইটা ড্ৰোন ধ্বংস কৰিবলৈ সমৰ্থ হয়। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা বিশেষ কথা বতৰাত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰ কৰ্ণেল ছোফিয়া কুৰেশ্বিয়ে কয়, যে পাকিস্তানী সেনাই সামৰিক আন্তঃগাঁথনিক লক্ষ্য কৰি সমগ্ৰ পশ্চিম সীমান্তত কেইবাবাৰো ভাৰতীয় বায়ু সীমা উলংঘা কৰিছে। তেওঁ লগতে কয়, যে অকল এয়াই নহয়, নিয়ন্ত্ৰণ ৰেখাতো পাকিস্তানে শক্তিশালী অস্ত্ৰ-শস্ত্ৰৰে আক্ৰমণ কৰিছে। তেওঁ কয়, যে পাকিস্তানৰ ফালৰ পৰা একেৰাহে কৰা এই আক্ৰমণৰ উদ্দেশ্য হৈছে ভাৰতৰ বায়ু প্ৰতিৰক্ষা প্ৰণালী পৰীক্ষা কৰা আৰু চোৰাংচোৰা তথ্য সংগ্ৰহ কৰা। এই ড্ৰোনসমূহৰ ফৰেনচিক পৰীক্ষা কৰি থকা হৈছে আৰু প্ৰাৰম্ভিক তথ্য অনুসৰি সেইসমূহ তুৰস্কত তৈয়াৰ কৰা ড্ৰোন বুলি ঠাৱৰ কৰা হৈছে। উইং কমাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে পাকিস্তানী আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতীয়ে সেনাইও পাকিস্তানৰ চাৰিটাকৈ বায়ু প্ৰতিৰক্ষা স্থানত ড্ৰোনেৰে আক্ৰমণ কৰে আৰু ইয়াৰে এটা ড্ৰোনে দেশখনৰ এ ডি ৰাডাৰ ধ্বংস কৰিবলৈ সমৰ্থ হয়। তেওঁ কয়, যে পাকিস্তানে টোপ আৰু শক্তিশালী অস্ত্ৰ-শস্ত্ৰৰে নিয়ন্ত্ৰণ ৰেখাত কেইবাবাৰো চলোৱা আক্ৰমণত সেনাবাহিনীৰ কেইবাগৰাকীও জোৱান হতাহত হৈছে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতৰ আক্ৰমণত পাকিস্তানী সেনাৰো ব্যাপক ক্ষতি হৈছে। উইং কমাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে এই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পৰিস্থিতি সত্ত্বেও পাকিস্তানে ইয়াৰ অসামৰিক বিমানসেৱা বন্ধ কৰা নাই। তেওঁ অসামৰিক বিমান সেৱাক ঢাল হিচাপে ব্যৱহাৰ কৰাৰ বাবে পাকিস্তানক সমালোচনা কৰে।

-বাইট- (ব্যোমিকা সিং)

সংবাদমেলত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয়, যে পাকিস্তানে এই আক্ৰমণৰ কথা অস্বীকাৰ কৰাটোৱে দেশখনৰ দুমুখীয়া স্থিতিৰ আন এটা উদাহৰণ। গুৰুদ্বাৰ আৰু মন্দিৰকে ধৰি উপাসনাস্থলীসমূহক লক্ষ্য কৰি কৰা আক্ৰমণৰ বাবে পাকিস্তানক সমালোচনা কৰি শ্ৰী মিশ্ৰীয়ে এনে কাৰ্যই দেশখনক আৰু অধিক নিম্ন পৰ্যায়লৈ লৈ যোৱা বুলি অভিহিত কৰে।

বাইট মিশ্ৰী

সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি বিদেশ সচিবগৰাকীয়ে কয়, যে বৰ্তমানৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নানকানাচাহিব সংযোগী কাৰ্টাৰপুৰ কৰিড'ৰ সাময়িকভাৱে বন্ধ কৰা হৈছে। পাকিস্তানলৈ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ বিত্তীয় পেকেজ সন্দৰ্ভত শ্ৰীমিশ্ৰীয়ে কয়, যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ বৈঠকত নিজৰ স্থিতি তথা শেহতীয়া

ঘটনাৱলী দাঙি ধৰিব। তেওঁ কয়, যে এই ক্ষেত্ৰত আই এম এফৰ সদস্যসকলে অন্তিম তথা চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব।

০০০০০০

চৰকাৰে দেশৰ অত্যাৱশ্যকীয় সেৱা আৰু ব্যৱস্থাসমূহ সুচাৰুৰূপে চলি থকাটো নিশ্চিত কৰাৰ বাবে কোনো ত্ৰুটি এৰা নাই। ৰাষ্ট্ৰীয় সুৰক্ষাৰ শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহে ৰাষ্ট্ৰীয় প্ৰস্তুতি আৰু আন্তঃমন্ত্ৰালয় সহযোগিতাৰ পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে  দেশত অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱ ঘটা নাই বুলি প্ৰকাশ কৰিছে। বৰ্তমান অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰ্যাপ্ত পৰিমাণে মজুত আছে বুলি তেওঁ ৰাইজক আশ্বস্ত কৰে। খাদ্য সামগ্ৰীৰ অভাৱ ঘটা বুলি প্ৰচাৰ হোৱা বাতৰি ভুৱা বুলি প্ৰকাশ কৰি তেওঁ এনেধৰণৰ অপপ্ৰচাৰত বিশ্বাস নকৰিবলৈ ৰাইজক আহ্বান জনায়।

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই কালি বিভাগটোৰ শীৰ্ষ বিষয়াসকলৰ সৈতে স্বাস্থ্য আন্তঃগাঁথনি আৰু প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি সন্ধিয়া একেধৰণৰ আন এখন বৈঠকত অধ্যক্ষতা কৰি বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ চাইবাৰ সুৰক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰে। ৰাজহুৱা খণ্ডৰ বেংকসমূহে প্ৰকাশ কৰা অনুসৰি এটিএম, নগদ ধন জমা কৰা আৰু ধন উলিওৱা মেচিন তথা সকলোধৰণৰ ডিজিটেল সেৱা সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ আছে আৰু জনসাধাৰণৰ বাবে এই সেৱা উপলব্ধ হৈ আছে। বেংকসমূহে অপ্ৰমাণিত তথ্যৰ ওপৰত ভৰষা নকৰিবলৈ গ্ৰাহকসকলক আহ্বান জনাইছে। আনহাতে ইণ্ডিয়ান অইল কৰ্পৰেচনে সমগ্ৰ দেশতে পৰ্যাপ্ত পৰিমাণৰ ইন্ধন মজুত আছে বুলি আশ্বাস দিছে। সংস্থাটোৱে লগতে জনসাধাৰণক অপ্ৰয়োজনীয়ভাৱে ইন্ধন ক্ৰয় কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে।

০০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পৰিপ্ৰেক্ষিতত দেশত বৰ্ধিত উত্তেজনাৰ মাজতে জিলা প্ৰশাসনসমূহে জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ সকলোধৰণৰ সাংস্কৃতিক অনুষ্ঠান আৰু কাৰ্যসূচী আজিৰ পৰা বাতিল কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাজ্যত পূৰ্বে নিৰ্ধাৰিত বিহুৰ সকলো অনুষ্ঠান ইমানতে সামৰণি পেলাই ঐক্য আৰু সংহতিৰ চানেকি দাঙি ধৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল।

শিৱসাগৰ জিলাৰ জিলা দণ্ডাধীশ আয়ুষ গাৰ্গে জিলাখনত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠান, কাৰ্যসূচী আয়োজনৰ বাবে প্ৰদান কৰা সকলো অনুমতি প্ৰত্যাহাৰ কৰিছে। কাৰ্বি আংলঙৰ আয়ুক্ত নিৰলা ফাংছ'পিয়ে নিৰ্ধাৰিত সকলো সাংস্কৃতিক অনুষ্ঠানৰ অনুমতি প্ৰত্যাহাৰ কৰি অনুৰূপ জাননী জাৰি কৰিছে।

কামৰূপৰ আমিনগাঁও, উত্তৰ গুৱাহাটী, চাংসাৰি, বাইহাটা চাৰিআলি, হাজোকে ধৰি কেইবা ঠাইত আজি হ'বলগীয়া বিহু সাংস্কৃতিক অনুষ্ঠান বাতিল কৰা হৈছে।

০০০০০০

বৰ্তমান পৰিস্থিতিত জম্মু চহৰতো আতংকৰ পৰিস্থিতি বিৰাজ কৰিছে যদিও ভাৰতীয় সেনাবাহিনীৰ সক্ষমতা আৰু পৰাক্ৰমৰ বাবে জনসাধাৰণৰ মনোবল উচ্চ হৈ আছে। জম্মুত থকা অসমীয়া লোকসকলো সুকলমে আছে। এই সম্পৰ্কত জম্মুবাসী অসমীয়া পল্লবী বৰপাত্ৰ গোহাঁইয়ে আমাক এইদৰে কয়-

বাইট (পল্লবী বৰপাত্ৰ গোহাঁই)

০০০০০০

কাইলৈ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। ইয়াৰ বাবে জিলাসমূহত ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। **কামৰূপ** জিলাত শান্তিপূৰ্ণভাৱে ভোটগণনাৰ বাবে তিনিঠাইত ভোটগণনা কক্ষ স্থাপন কৰা হৈছে। **আমিনগাঁও** আয়ুক্তৰ কাৰ্যালয়, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ৰঙিয়া সমজিলা কাৰ্যালয়ত ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। **বজালী** জিলা আৰু মানকাচৰ জিলাৰ হাটশিঙিমাৰীতো ভোটগণনাৰ বাবে জিলা প্ৰশাসনৰ ব্যাপক প্ৰস্তুতি চলিছে। **গোৱালপাৰা** জিলাৰ দুধনৈ, গোৱালপাৰা পূব আৰু জলেশ্বৰ বিধানসভাৰ অন্তৰ্গত বিভিন্ন পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব। আনহাতে গোৱালপাৰা পশ্চিমৰ বাবে ভোটগণনা গোৱালপাৰা পশ্চিম সমজিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব। **মৰিগাঁও** জিলাৰ জিলা দণ্ডাধীশ দেৱাশীষ শৰ্মাই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি ভোটগণনা চলি থকা অৱস্থাত কেন্দ্ৰৰ চৌহদত সমদল উলিওৱা, যিকোনো শ্ল'গান দিয়া, মাইক-লাউডস্পিকাৰ আদিৰ ব্যৱহাৰৰ লগতে ভোটগণনা কেন্দ্ৰৰ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পতাকাসহ বা পতাকা অবিহনে লাঠী, আতচবাজী আদি নিষিদ্ধ কৰা হৈছে। ভোটগণনা কেন্দ্ৰৰ চৌহদত কেৱল বৈধ পৰিচয় পত্ৰ ব্যক্তি আৰু ৰিটাৰ্নিং বিষয়াসকলেহে প্ৰৱেশ কৰিব পাৰিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে। **শিলচৰ** ৰামনগৰৰ আই এছ বি টি আৰু আই এছ টি টিত কাছাৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'ব। ভোটগণনাৰ বাবে জিলাখনত ৩ হাজাৰ কৰ্মী নিয়োজিত কৰা হৈছে। ইয়াৰে ১০ শতাংশ মহিলা কৰ্মী বুলি আমাৰ সংবাদদাতাই জনাইছে।

**ডিব্ৰুগড়** জিলাত ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ এই প্ৰক্ৰিয়াত নিয়োজিত সুক্ষ্ম নিৰীক্ষক, কাউণ্টিং ছুপাৰভাইজাৰ আৰু সহযোগীসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। **তিনিচুকীয়া** আৰু **শোণিতপুৰ** জিলাতো ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত আছে। **ধেমাজি** জিলাৰ ধেমাজী আৰু চিচিবৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত জিলা পৰিষদ, আঞ্চলিক পৰিষদ আৰু গাঁও পঞ্চায়তৰ বাবে ধেমাজি মহাবিদ্যালয়ত ভোটগণনা অনুষ্ঠিত হ'ব। জোনাই বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা জোনাইৰ চিডিচি কাৰ্যালয়ত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে যোৱা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। দুয়োটা পৰ্যায়ৰে ভোটগণনা কাইলৈ সম্পন্ন হ'ব।

০০০০০০

অৰুণাচল প্ৰদেশৰ ইউপিয়াত অনুষ্ঠিত ছাফ চেম্পিয়নশ্বিপৰ ১৯ বছৰ অনূৰ্ধৰ খেলত ভাৰতীয় পুৰুষ দলে শ্ৰীলংকাক ৮-০ গলৰ ব্যৱধানত পৰাস্ত কৰে। ডেনি মেইটেই হেট্ৰিক অৰ্জন কৰাৰ লগতে মহম্মদ আৰবাজ, উমংগ দদুম আৰু অধিনায়ক ছিংগামায়ুম শ্বামীয়ে এটাকৈ গল দিয়ে। ভাৰতে অহা ১৩ মে'ত নেপালৰ বিৰুদ্ধে খেলিব। ইপিনে বাংলাদেশ আৰু মালদ্বীপৰ মাজত কালি অনুষ্ঠিত আন এখন খেল ২-২ গলত ড্ৰ হয়। ছাফ চেম্পিয়নশ্বিপত ছখন দেশে ভাগ লৈছে। গ্ৰুপ-এত বাংলাদেশ, ভূটান আৰু মালদ্বীপ থকাৰ বিপৰীতে গ্ৰুপ-বিত ভাৰত, শ্ৰীলংকা আৰু নেপাল আছে।

০০০০০০

ভাৰত-পাকিস্তানৰ মাজৰ সামৰিক উত্তেজনাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত, সশস্ত্ৰ সেনাৰ ৪০০ খন ড্ৰোন ধ্বংস, পূৰ্ণাংগ যুদ্ধৰ পৰিস্থিতি, গৃহমন্ত্ৰালয়ৰ ৰাজ্যসমূহক জৰুৰী ক্ষমতা প্ৰয়োগৰ কৰ্তৃত্ব আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

ভাৰত-পাকিস্তানৰ মাজত যুদ্ধৰ দামামা বাজি উঠাৰ মাজতে কেন্দ্ৰীয় চৰকাৰে যুদ্ধকালীন পৰিস্থিতিত যিকোনো সমস্যাৰে মোকাবিলা কৰিবলৈ ৰাজ্যসমূহক বিশেষ ক্ষমতা প্ৰদান কৰিছে। অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটো **ৰাজ্যসমূহক জৰুৰীকালীন ক্ষমতা বলৱতৰ কৰ্তৃত্ব** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

সশস্ত্ৰ সেনাই বৃহস্পতিবাৰে নিশা পাকিস্তানে ভাৰতৰ ৩৬টা স্থানত আক্ৰমণৰ লক্ষ্যৰে পঠোৱা ৪০০ খন ড্ৰোন ধ্বংস কৰাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। তুৰস্কত নিৰ্মিত পাকিস্তানী ড্ৰোন সশস্ত্ৰ সেনাই সফলতাৰে প্ৰতিহত কৰাৰ এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অপাৰেচন সিন্দূৰৰ সমান্তৰালভাৱে পাকিস্তানৰ বিৰুদ্ধে এখন পূৰ্ণাংগ যুদ্ধৰ বাবে কেন্দ্ৰীয় চৰকাৰ সাজু হোৱাৰ আন এটা বাতৰি দৈনিক অসম আৰু আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই সন্দৰ্ভত তিনিটা বাহিনীৰ সেনাপ্ৰধানৰ সৈতে প্ৰধানমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠকৰ আন এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দা ছেণ্টিনেল কাকতে PM MODI TAKES STOCK WITH DOVAL CDS, 3 SERVICE CHEIFS AND VETERNAS শিৰোনামেৰে প্ৰথম পৃষ্ঠাত  প্ৰকাশ কৰিছে।

সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নতুন দিল্লীকে ধৰি দেশৰ কেইবাটাও স্থানত নিৰাপত্তা ব্যৱস্থা কটকটীয়া তোলাৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দেশৰ ২৪টাকৈ বিমানবন্দৰ ১৯ মে'লৈ সাময়িকভাৱে বন্ধ ৰখাৰ বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা **অপৰাচেন সিন্দূৰ** সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে প্ৰচাৰ কৰিবলগীয়া বিশেষ দৃষ্টিপাত অনুষ্ঠানৰ প্ৰথম অংশ আজি নিশা ৮ বাজি ২০ মিনিটৰ পৰা ৮ বাজি ৪৫ মিনিটলৈ প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত গ্ৰুপ কেপ্টেইন দেৱানন্দ গোহাঁই, অৱসৰপ্ৰাপ্ত উইং কমাণ্ডাৰ জগদীশ ভট্টাচাৰ্য আৰু জ্যেষ্ঠ নাগৰিক তথা আকাশবাণীৰ প্ৰাক্তন ঘোষক কীৰ্তিকমল ভূঞাই এই অভিযান আৰু যুদ্ধকালীন সময়ত জনসাধাৰণৰ কৰণীয় সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানৰটোৰ পৰৱৰ্তী অংশ কাইলৈ নিশা একে সময়তে শুনিবলৈ পাব।  এই অনুষ্ঠানৰ উপস্থাপন, পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠান সূচীৰ জৰুৰী পৰিৱৰ্তনৰ বাবে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া সংবাদ চলন্তিকা প্ৰচাৰিত নহয়।

০০০০০০

শিৰসাগৰৰ জাঁজী জামুগুৰিৰ ব্ৰাহ্মণ গাঁও নিবাসী সূৰ্য কুমাৰ বৰুৱাৰ কালি নিজ বাসভৱনত মৃত্যু হয়। তিনিচুকীয়াৰ আনন্দবাৰী বাগিচাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা ১৯৭০ আৰু ৮০ দশকৰ এগৰাকী সুদক্ষ ফুটবল খেলুৱৈ বৰুৱাৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৮।

গুৱাহাটীৰ বিৰুবাৰীৰ জোনাকপুৰ নিবাসী ৰমণী দত্ত শৰ্মাৰ পৰহি সন্ধিয়া মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২।

০০০০০০

সমাপ্ত